# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
## 0000000000

**Date :** 01-04-2024
**Time :** 18-45 Hrs.

### ASSAMESE REGIONAL BULLETIN

::::::::::::::::::::::::::::::::::::

১। নিৰ্বাচনী প্ৰচাৰৰ অংশ হিচাপে মাজুলীত বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ চাইকেল ৰেলী। কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰো প্ৰচাৰ অভিযান অব্যাহত।

২। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে নগাঁও আৰু শিলচৰত দুগৰাকী প্ৰাৰ্থীৰ মনোনয়ন দাখিল।

৩। আবকাৰী নীতি কেলেংকাৰী গোচৰত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক ১৫ এপ্ৰিল পৰ্যন্ত ন্যায়িক জিম্মালৈ প্ৰেৰণ।

৪। ধুমুহা আৰু শিলাবৃষ্টিত ৰাজ্যৰ চাৰিজন লোকৰ প্ৰাণহানি। ২২ খন জিলাত ক্ষয়-ক্ষতি।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে ৰাজস্থান ৰয়েলছ অৱতীৰ্ণ।

০০০

সমাগত লোকসভা নিৰ্বাচনৰ বাবে ৰাজ্যৰ ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযানে ক্ৰমাৎ গতি লাভ কৰিছে। বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মাজুলীত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। তেওঁ বিজেপি সমৰ্থক আৰু মিত্ৰ দলৰ কৰ্মীসকলৰ সৈতে এটি চাইকেল ৰেলীত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে গড়মূৰৰ মিনি ষ্টেডিয়ামৰ পৰা মহৰিচুকলৈ প্ৰায় ১৫ কিলোমিটাৰ পথ চাইকেল চলাই নিৰ্বাচনী প্ৰচাৰৰ আৰম্ভ কৰে। ইয়াৰ পাছত তেওঁ নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত নিৰ্বাচনী সভাত অংশ লয়। তেওঁৰ সৈতে মন্ত্ৰী ৰণোজ পেগু, বিধানয়ক ভূবন গাম আৰু মিত্ৰ দলৰ কাৰ্যকৰ্তাসকলে এই সভাত অংশগ্ৰহণ কৰে। এই সন্দৰ্ভত আমাৰ মাজুলীৰ সংবাদদাতা বিকাশ শইকীয়াই এইদৰে কয়—

***ঃঃ ভইচ ঃঃ***

একেদৰে যোৰহাট সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে বিধায়ক অখিল গগৈ আৰু দলীয় কৰ্মীসকলৰ সৈতে শিৱসাগৰ তথা ডিমৌ সমষ্টিত প্ৰচাৰ চলায়। তেওঁ শিৱসাগৰ আৰু ডিমৌ সমষ্টিৰ অন্তৰ্গত ১৪খন নিৰ্বাচনী সভাত অংশ লয়। শিৱসাগৰৰ ৰাজীৱ ভৱনত শ্ৰী গগৈয়ে সংবাদ মেল সম্বোধন কৰি ৰাইজলৈ গোহাৰি নামৰ এখন পত্ৰিকা উন্মোচন কৰে। লগতে বিৰোধী মিত্ৰজোঁটৰ হৈ বিজেপি চৰকাৰৰ কামকাজক সমালোচনা কৰি মহা অভিযোগ নামা উন্মোচন কৰে। তেওঁ সংবাদ মেলত বিজেপিয়ে চৰকাৰী তন্ত্ৰক নিৰ্বাচনৰ নামত ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰে।

অহা ৭ মে'ত হ'বলগীয়া তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে বৰপেটা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা অগপ নেতা ফণীভূষণ চৌধুৰীয়ে ভৱানীপুৰ সৰভোগ বিধানসভা সমষ্টিত প্ৰচাৰ চলায়। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ সৈতে তেওঁ নিৰ্বাচনী প্ৰচাৰ চলাই ৰাইজৰ সৈতে মত বিনিময় কৰে। সৰভোগৰ আহোম পথাৰ, চাফা, কামাৰ আদি অঞ্চলত অনুষ্ঠিত ৰাজহুৱা সভাতো তেওঁ অংশ লয়। ইয়াৰ পাছত তেওঁ বৰপেটা ৰোডতো নিৰ্বাচনী প্ৰচাৰ চলায়। ইপিনে, বৰপেটা সমষ্টিৰ চি পি এম দলৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰে পাকা বেটবাৰী সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলায়।

০০০

দ্বিতীয় পৰ্যায়ত অহা ২৬ এপ্ৰিলত হবলগীয়া নিৰ্বাচনৰ বাবে আজি ৰাজ্যত দুগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। ইয়াৰ ভিতৰত এগৰাকী শিলচৰৰ আৰু আনগৰাকী নগাওঁ সমষ্টিৰ প্ৰাৰ্থী। উল্লেখযোগ্য যে, এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ৪ এপ্ৰিল ধাৰ্য কৰা হৈছে। আনহাতে, মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ শেষ দিন অহা ৮ এপ্ৰিল। এই পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া দৰং-ওদালগুৰি, ডিফু-কৰিমগঞ্জ, শিলচৰ আৰু নগাওঁ সমষ্টিত ইতিমধ্যে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। আনহাতে জিলাকেইখনৰ প্ৰশাসনসমূহেও নিৰ্বাচনৰ বাবে যাৱতীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। বিভিন্ন জিলাত নিৰ্বাচনত নিয়োজিত হ'বলগীয়া প্ৰিজাইদিং আৰু পোলিং বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী চলি আছে। তদুপৰি জিলা প্ৰশাসনসমূহে জিলাসমূহত নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ ঘটনা ৰোধ কৰিবলৈ কঠোৰ পদক্ষেপ লৈছে।

০০০

দিল্লীৰ এখন আদালতে আজি দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ নেতা অৰবিন্দ কেজৰিৱালক ১৫ এপ্ৰিললৈকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। আবকাৰী নীতি কেলেংকাৰী সন্দৰ্ভত সংঘটিত অবৈধ ধনৰ লেন-দেন সংক্ৰান্তীয় গোচৰত তেওঁক বিধি বলৱৎকাৰী সঞ্চালকালয়ে যোৱা ২১ মাৰ্চত গ্ৰেপ্তাৰ কৰিছিল। বিধি বলৱৎকাৰী সঞ্চালকালয়ত মুখ্যমন্ত্ৰী কেজৰিৱালৰ জিম্মাৰ ম্যাদ উকলি যোৱাৰ পৰিপ্ৰেক্ষিতত তেওঁক আদালতত হাজিৰ কৰোৱাৰ পাছত চিবিআইৰ বিশেষ ন্যায়াধীশ কাবেৰী বাৱেজাই এই নিৰ্দেশ জাৰি কৰে। ইয়াৰ পূৰ্বে যোৱা মাহৰ ২২ তাৰিখে শ্ৰী কেজৰিৱালক ছদিনৰ বাবে আদালতে বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ জিম্মালৈ প্ৰেৰণ কৰাৰ পাছত এই ম্যাদ পুনৰ চাৰিদিনলৈ বঢ়াই দিয়া হৈছিল। আপৰ নেতাগৰাকীয়ে বিধি বলৱৎকাৰী সঞ্চালকালয়ে জাৰি কৰা ছটাকৈ চমন উপেক্ষা কৰিছিল। এই গোচৰত অভিযুক্ত আম আদমী পাৰ্টিৰ নেতা মণিষ ছিছোদিয়া আৰু সঞ্জয় সিঙো সম্প্ৰতি ন্যায়িক জিম্মাত আছে।

০০০

বিজেপিয়ে জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে লোকসভা নিৰ্বাচনত দলটোৰ ওপৰত উত্থাপন কৰা মেচ ফিক্সিঙৰ অভিযোগ সন্দৰ্ভত নিৰ্বাচন আয়োগৰ ওচৰ চাপিছে। দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীৰ নেতৃত্বত বিজেপিৰ এটা প্ৰতিনিধি দলে আজি এই বিষয়টো আয়োগৰ দৃষ্টিগোচৰ কৰে। তেওঁলোকে গান্ধীৰ এই মন্তব্যৰ ভাৰতীয় গণতন্ত্ৰৰ প্ৰমূল্য লাঘৱ কৰাৰ উপৰি ই ভি এমৰ পৰিচালনাৰ দিশটোক লৈও প্ৰশ্ন উত্থাপন কৰিছে বুলি অভিযোগ কৰে। তেওঁলোকে আয়োগক এই সন্দৰ্ভত কঠোৰ পদক্ষেপ লবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে কালি দিল্লীৰ ৰামলীলা ময়দানত বিৰোধী দলৰ এটা সমাবেশত কংগ্ৰেছ নেতাগৰাকীয়ে বিজেপিয়ে মেচ ফিক্সিং, ই ভি এমৰ ক্ষেত্ৰত অনিয়ম আৰু কেন্দ্ৰীয় সংস্থাৰ সহায় অবিহনে নিৰ্বাচনত জয়ী হ'ব নোৱাৰে বুলি মন্তব্য কৰিছে। ইপিনে, নিৰ্বাচন আয়োগে বিজেপিৰ প্ৰাৰ্থী কংগনা ৰানাৱটৰ বিৰুদ্ধে কংগ্ৰেছ নেত্ৰী সুপ্ৰিয়া শ্ৰীনেটে কৰা আপত্তিজনক মন্তব্য গৰিহনাযোগ্য বুলি প্ৰকাশ কৰিছে। নিৰ্বাচনী আচৰণবিধি বলবৎ

হৈ  থকা সময়ত এনে মন্তব্য সমীচিন নহয় বুলি প্ৰকাশ কৰে। ইপিনে, আয়োগে বিজেপিৰ সাংসদ দিলিপ ঘোষে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ বিৰুদ্ধে কৰা মন্তব্যকো গৰিহণা দিছে।

০০০

ৰাজ্যত তিনিটা পৰ্যায়ত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ বাবে স্থানীয় বন্ধ ঘোষণা কৰা হৈছে। নিৰ্বাচন অনুষ্ঠিত সমষ্টিসমূহত প্ৰশাসনে বন্ধ ঘোষণা কৰিছে। পৃথকে পৃথকে ১৪টা লোকসভা সমষ্টিত এই নিৰ্দেশনা প্ৰযোজ্য হ'ব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে অহা ১৯ এপ্ৰিলত কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত এলেকাসমূহত বন্ধ ঘোষণা কৰা হৈছে। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচৰ বাবে অহা ২৬ এপ্ৰিলত দৰং-ওদালগুৰি, নগাঁও, ডিফু, শিলচৰ আৰু কৰিমগঞ্জ লোকসভা সমষ্টিৰ অন্তৰ্গত এলেকাসমূহত প্ৰশাসনে স্থানীয় বন্ধ ঘোষণা কৰিছে। তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে অহা ৭ মে'ত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত এলেকাসমূহত স্থানীয় বন্ধ ঘোষণা কৰা হৈছে।

০০০

বিজেপিৰ ইস্তাহাৰ সমিতিৰ বৈঠক আজি নতুন দিল্লীত থকা দলৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হয়। এই বৈঠকত লোকসভা নিৰ্বাচনৰ বাবে দলটোৰ ইস্তাহাৰত অন্তৰ্ভুক্ত কৰিবলগীয়া বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত গঠিত ২৭ জনীয়া সমিতিখনৰ আজি অনুষ্ঠিত প্ৰথমখন বৈঠকত দলটোৰ বাবে গুৰুত্ব বহন কৰা কেইবাটাও  বিষয় পৰ্যালোচনা কৰা হয়। উল্লেখযোগ্য যে এই সমিতিখনত কেন্দ্ৰীয় মন্ত্ৰী নিৰ্মলা সীতাৰমণক আহ্বায়ক আৰু পিয়ুছ গোৱেলক সহ আহ্বায়ক হিচাবে ৰখা হৈছে। এই সমিতিত মুখ্যমন্ত্ৰী ড° হিমন্ত  বিশ্ব শৰ্মাও সদস্য হিচাপে অন্তৰ্ভুক্ত হৈছে।

ইফালে কংগ্ৰেছ দলৰ কেন্দ্ৰীয় নিৰ্বাচনী সমিতিৰ বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হয়। এই বৈঠকত তেলেংগানা লোকসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থী ঘোষণা কৰা সন্দৰ্ভত আলোচনা কৰা হয়। দলৰ নেতা মল্লিকাৰ্জুন খাৰ্গে, জ্যেষ্ঠ নেত্ৰী চোনীয়া গান্ধী, তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেৱন্থ ৰেড্ডীকে ধৰি ভালেসংখ্যক নেতাকৰ্মী উপস্থিত থাকে।

০০০

ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে নিৰ্ধাৰণ কৰা অনুসৰি আজি ই ভি এমসমূহ বিতৰণ পূৰ্বে পৰীক্ষা কৰা হয়। এই প্ৰক্ৰিয়াৰ পিছতে প্ৰথম পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া সমষ্টিকেইটাৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত ই ভি এম, ভি ভি পেট আদি সামগ্ৰীসমূহ বিতৰণ কৰা হ'ব।  উল্লেখযোগ্য যে, অসমত তিনিটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ত ৫ খন আসনৰ বাবে যোৰহাট, ডিব্ৰুগড়, শোণিতপুৰ, কাজিৰঙা আৰু লখিমপুৰ সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

০০০

ধুমুহা আৰু শিলাবৃষ্টিৰ ফলত ৰাজ্যৰ ২২ খন জিলাত ক্ষয়- ক্ষতি হৈছে। চৰকাৰী তথ্য অনুসৰি ধুমুহা, বজ্ৰপাত আৰু নাও দুৰ্ঘটনাত চাৰি গৰাকী লোকৰ মৃত্যু হয়। কাছাৰ, পূব কাৰ্বি আংলং, ওদালগুৰি আৰু দক্ষিণ শালমাৰাত এগৰাকীকৈ লোকৰ প্ৰাণহানি হোৱাৰ লগতে ৬ গৰাকী লোক আহত হৈছে। কালি অহা ধুমুহাত ২২ খন জিলাৰ চাৰি শতাধিক বাসগৃহ সম্পূৰ্ণৰূপে বিনস্ত হয়।

আনহাতে, দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী নেপুৰেৰ আলগাত ব্ৰহ্মপুত্ৰত কালি সংঘটিত ভুটভুটি নাও দুৰ্ঘটনাৰ পাছত আজি এন ডি আৰ এফ আৰু এছ ডি আৰ এফ বাহিনীয়ে উদ্ধাৰ অভিযান চলায়। উল্লেখযোগ্য যে, হাতশিঙিমাৰীৰ কোকৰাডাঙাৰ পৰা বাংলাদেশ সীমান্তৱৰ্তী

নেপুৰেৰ আলগা চৰলৈ গৈ থকা অৱস্থাত হঠাৎ অহা ধুমুহাত নাওখন দুৰ্ঘটনাত পতিত হয়। এই দুৰ্ঘটনাত এটি শিশুৰ মৃত্যু হোৱাৰ লগতে দুজন লোক সন্ধানহীন হৈছে।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ পূব ভাৰতত অহা বৃহস্পতিবাৰলৈকে ধুমুহা-বৰষুণ অব্যাহত থাকিব বুলি আগজাননী দিছে। অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত অহা দুই তিনিদিনলৈকে ধুমুহা-বৰষুণৰ লগতে শিলাবৃষ্টিও হ'ব বুলি বিভাগে প্ৰকাশ কৰিছে। হিমালয়ৰ পশ্চিমাঞ্চলত হোৱা বতৰৰ পৰিৱৰ্তনৰ ফলত অহা ৫ এপ্ৰিললৈকে উত্তৰ পূব ভাৰতৰ বতৰ শোচনীয় হৈ থাকিব বুলি বতৰ বিজ্ঞান বিভাগে জানিবলৈ দিছে।

০০০

আসন্ন লোকসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ ৰাজ্যৰ জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। লোকসভা নিৰ্বাচনৰ সৈতে সংগতি ৰাখি শিৱসাগৰ জিলা প্ৰশাসনে পূৰ্ণ গতিৰে প্ৰস্তুতি চলাইছে। প্ৰিজাইডিং আৰু প্ৰথম প'লিং বিষয়াসকলক দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰাৰ পাছত আজি দ্বিতীয় আৰু তৃতীয় প'লিং বিষয়াসকলক প্ৰশিক্ষণ দিয়া হয়। আনহাতে নিৰ্বাচনী প্ৰক্ৰিয়া সূক্ষ্মভাৱে পৰ্যৱেক্ষণ কৰাৰ বাবে ডিমৌ বিধানসভা সমষ্টি আৰু শিৱসাগৰ বিধানসভা সমষ্টিত ১০৫ গৰাকী সূক্ষ্ম পৰ্যৱেক্ষক নিয়োজিত কৰা হৈছে। এই পৰ্যৱেক্ষকসকলক সূচাৰুৰূপে কাৰ্য সমাপন কৰিব পৰাকৈ জিলা প্ৰশাসনে কাইলৈ শিৱসাগৰ বিশ্ববিদ্যালয়ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে।

আনহাতে মৰিগাঁও জিলাৰ নিৰ্বাচনী বিষয়া দেৱাশিষ শৰ্মাই আজি মৰিগাঁও মহাবিদ্যালয়ত প্ৰথমবাৰৰ বাবে ভোটাদান কৰিবলগীয়া ভোটাৰসকলৰ সৈতে মত বিনিময় কৰে। জিলাখনৰ কেইবাখনো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। নিৰ্বাচনী বিষয়াগৰাকীয়ে অংশগ্ৰহণকাৰী শিক্ষাৰ্থীসকলক ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনায়। লগতে দেশৰ গণতান্ত্ৰিক প্ৰক্ৰিয়া সন্দৰ্ভত সজাগতা সৃষ্টি কৰিবলৈ তেওঁ পৰামৰ্শ দিয়ে।

কাৰ্বি আংলং নিৰ্বাচনী জিলাৰ নিৰ্বাচনী বিষয়া হাওৰাঘাট বিধানসভা সমষ্টিৰ তিনিটা ভোটগ্ৰহণ কেন্দ্ৰ আৰু ডিফু বিধানসভা সমষ্টিৰ ৬টা ভোটগ্ৰহণ কেন্দ্ৰ আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ হিচাপে ঘোষণা কৰিছে।

লখিমপুৰ লোকসভা সমষ্টিৰ ৰিটানিং বিষয়াগৰাকীয়ে এখন জাননী যোগে সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলৰ ব্যয় পঞ্জী নিৰীক্ষণৰ বাবে ধাৰ্য কৰা এটা দিন সলনি কৰিছে। ঈদ-উল-ফিতৰৰ বাবে অহা ১১ এপ্ৰিলৰ পৰিৱৰ্তে প্ৰাৰ্থীসকলৰ ব্যয় পঞ্জী নিৰীক্ষণৰ প্ৰক্ৰিয়া ১২ এপ্ৰিলত ধেমাজি জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত হ'ব। আনহাতে জিলাখনত অহা ৫ আৰু ১৬ এপ্ৰিলত চাৰিটা স্থানত প্ৰিজাইডিং, প্ৰথম, দ্বিতীয় আৰু তৃতীয় প'লিং বিষয়াৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হ'ব।

ধুবুৰীৰ গোলকগঞ্জ, চিলাৰায় মহাবিদ্যালয়ত পদ্ধতিগত নিৰ্বাচন আৰু শিক্ষা কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ভোটাৰ সজাগতা সন্দৰ্ভত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

০০০

মৰিগাওঁ জিলা পৰ্যায়ৰ নাৰ্কো সমন্বয় কেন্দ্ৰ সমিতিৰ এখন বৈঠক আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। জিলাখনৰ  আয়ুক্ত দেৱাশীষ শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসে মাদক দ্ৰব্যৰ প্ৰচলন ৰোধ কৰাৰ ক্ষেত্ৰত ব্যাপক সজাগতা সৃষ্টিত গুৰুত্ব আৰোপ কৰে। এই সমিতিৰ গুৰুত্ব আৰু আৰক্ষী তথা বিভিন্ন বিভাগৰ কৰণীয় সম্পৰ্কত ব্যাখা আগবঢ়াই অধীক্ষকগৰাকীয়ে কয় যে, বিগত ৩ টা মাহত জিলাখনত মাদক দ্ৰব্য বিৰোধী আইনৰ অধীনত ৪৪ টা গোচৰ ৰুজু হোৱাৰ লগতে ১৯০ গ্ৰাম

হেৰ'ইন জব্দ হৈছে বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে মাদক দ্ৰব্য সৰবৰাহ আৰু ব্যৱহাৰৰ ক্ষেত্ৰত অতি স্পৰ্শকাতৰ হিচাপে পৰিগণিত হোৱা জিলাখনৰ মৈৰাবাৰী, লাহৰিঘাট, ভূৰাগাওঁ, মিকিৰভেটা আৰু ভেলৌগুৰি থানাৰ অন্তৰ্গত অঞ্চলসমূহত ব্যাপক সজাগতা সৃষ্টিৰ বাবে বিভিন্ন কাৰ্যসূচী লোৱা হৈছে। তেঁও লগতে মাদক দ্ৰব্য সৰবৰাহ সন্দৰ্ভত কোনো তথ্য থাকিলে ১১২ টোল ফ্ৰী নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনায়।

০০০

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ ২৪ সংখ্যক সমাৱৰ্তন আৰু ৫৬ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি কেন্দ্ৰীয়ভাৱে যোৰহাটৰ মুল চৌহদত অনুষ্ঠিত হয়। পুৱা পতাকা উত্তোলনেৰে আৰম্ভ হোৱা কাৰ্যসূচী স্মৃতি তৰ্পনৰ পাছতে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাৰ সভাপতিত্বত অনুষ্ঠিত মূল কাৰ্যসূচীত কেন্দ্ৰীয় চৰকাৰৰ কৃষি, গৱেষণা আৰু শিক্ষা বিভাগৰ সচিব তথা আই চি এ আৰৰ সঞ্চালক প্ৰধান ড° হিমাংশু পাঠকে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৯ খন মহাবিদ্যালয়ৰ পৰা স্নাতক, স্নাতকোত্তৰ আৰু পি এইচ ডি ডিগ্ৰী লাভ কৰা এহেজাৰ ১২০ গৰাকী শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়।

০০০

কামৰূপ মহানগৰ জিলা পৰিবহণ কাৰ্যালয়ে ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত অভিলেখ ৰচিছে। তথ্য অনুসৰি ২০২৩-২৪ বিত্তীয় বৰ্ষত জিলা পৰিবহন কাৰ্যালয়ে সৰ্বাধিক ৪৭১ কোটিৰো অধিক ধন ৰাজহ হিচাপে সংগ্ৰহ কৰে। ২০২২-২৩ বিত্তীয় বৰ্ষত বিভাগটোৱে ৩৬৫ কোটিৰো অধিক টকা ৰাজহ সংগ্ৰহ কৰিছে। পূৰ্বৰ তুলনাত এই বৰ্ষত পৰিবহন বিভাগে ১০৬ কোটি টকাৰ অধিক ৰাজহ সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছে।

০০০

অসমে মধ্য প্ৰদেশৰ গোৱালিয়ৰত অনুষ্ঠিত ৩২ সংখ্যক ৰাষ্ট্ৰীয় পেৰা সাতোৰ প্ৰতিযোগিতাত ১০ টা পদক লাভ কৰিছে। আজি সামৰণি পৰা প্ৰতিযোগিতাখনত অসমে ৫ টা সোণ, ২ টা ৰূপ আৰু ৩ টা ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়। অসম পেৰালিম্পিক সন্থাই প্ৰকাশ কৰা মতে, ৩ দিনীয়া প্ৰতিযোগিতাখনৰ আজি অন্তিম দিনা অসমে ৩ টা সোণসহ ৫ টা পদক লাভ কৰে। আজি অসমৰ হৈ য়েছমিনা খাতুনে ১০০ মিটাৰ ব্ৰেষ্টষ্ট্ৰোকত দ্বিতীয়টো সোণৰ পদক লাভ কৰাৰ বিপৰীতে কৃষ্ণা দাসে দ্বিতীয় দিনা ২টাকৈ সোণৰ পদক অৰ্জন কৰে। প্ৰতিযোগিতাৰ প্ৰথম দিনা য়েছমিনা এটা সোণ আৰু ২টা ৰূপৰ পদক অৰ্জন কৰিছিল। ইফালে কৃষ্ণা দাসে ১০০ মিটাৰ বাটাৰফ্লাই আৰু ব্ৰেষ্টষ্ট্ৰোকত সোণ অৰ্জন কৰি তৃতীয়টো সোণৰ পদক লাভ কৰাৰ গৌৰৱ অৰ্জন কৰে। অসমৰ আন এগৰাকী আন্তঃৰ্জাতিক খ্যাতিসম্পন্ন পেৰা সাতোৰবিদ আনোৱাৰ ছিকদাৰে আজি ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ৰাজ্যখনৰ পেৰা সাতোৰ দলৰ এই অনবদ্য প্ৰদৰ্শনৰ বাবে অসম পেৰালিম্পিক সন্থাই সাতোৰবিদসকলক অভিনন্দন জনাইছে। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাত অসমৰ এটা ১৬ জনীয়া সাতোৰবিদৰ দলে অংশগ্ৰহণ কৰিছিল।

০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ, ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০

ঃঃ সমাপ্ত ঃঃ